**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-05-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**::::::::::::::::::::::::::::::::::::::::**

**Headlines**

১। লোকসভা নিৰ্বাচনৰ পৰৱৰ্তী তিনিটা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান অব্যাহত। বাৰানসীত আজি বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মনোনয়ন দাখিল।

২। লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ত কালি প্ৰায় ৬৭ দশমিক ৭-১ শতাংশ ভোটদাতাৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত।

৩। অসম আৰক্ষীৰ বিশেষ শাখাৰ অভিযানত গুৱাহাটীত আনছাৰুল্লাহ বাংলা টীম চমুকৈ এ বি টিৰ দুটা সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ।

*আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ, দেলহী কেপিটেলছৰ মুখামুখি।

০০০০০০০

লোকসভা নিৰ্বাচনৰ পৰৱৰ্তী তিনিটা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান পূৰ্ণ গতিত অব্যাহত আছে। জ্যেষ্ঠ ৰাজনৈতিক নেতাসকলে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ৰাজহুৱা সভা আৰু ৰোড শ্ব'ত অংশগ্ৰহণ কৰি ভোটদাতাক আকৰ্ষিত কৰাৰ প্ৰয়াস অব্যাহত ৰাখিছে। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেয়ে আজি উত্তৰ প্ৰদেশৰ গোৰখপুৰ জিলাত নিৰ্বাচনী সমদলত অংশ ল'ব। একেদৰে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা আৰু উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে আমেথিত নিৰ্বাচনী প্ৰচাৰ চলাব। কংগ্ৰেছৰ প্ৰিয়ংকা গান্ধী ৱাদ্ৰায়ো আজি আমেথিত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ সভাত অংশ ল'ব। আনহাতে কংগ্ৰেছ দলৰ নেতা ৰাহুল গান্ধী আৰু সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱে দলীয় প্ৰাৰ্থীৰ হৈ ঝান্সিত প্ৰচাৰ চলাব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নিজৰ সংসদীয় সমষ্টি উত্তৰ প্ৰদেশৰ বাৰাণসীত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। ৰোড শ্ব'ৰ সময়ত পথৰ দুয়োকাষে হাজাৰ হাজাৰ লোক সমবেত হোৱা পৰিলক্ষিত হয়। শ্ৰীমোদীয়ে সন্ধিয়া বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ বাহিৰৰ মহামনা মোদন মোহন মালব্যৰ প্ৰতিমূৰ্তিত পুষ্পমাল্য তৰ্পণ কৰাৰ পাছত ৫ কিলোমিটাৰ দীঘলীয়া এই ৰোড শ্ব' আৰম্ভ কৰে।

একেদৰে বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে কালি মহাৰাষ্ট্ৰৰ ধুলেত প্ৰচাৰ সভাত অংশ লয়। তেওঁ কয় যে, নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এন ডি এ চৰকাৰ পুনৰ ক্ষমতালৈ আহিলে ভাৰত তৃতীয় সৰ্ববৃহৎ অৰ্থনীতিত পৰিণত হ'ব। কংগ্ৰেছৰ ১০ বছৰীয়া শাসনকালত ভাৰতীয় অৰ্থনীতি একাদশ স্থানত আছিল বুলি উল্লেখ কৰি শ্ৰীশ্বাহে কয় যে, এন ডি এ চৰকাৰে দেশক বিশ্বৰ পঞ্চম অৰ্থনৈতিক স্থানলৈ উন্নত কৰিলে।

অসমৰ মুখ্যমন্ত্ৰী তথা বিজেপি নেতা ড০ হিমন্ত বিশ্ব শৰ্মাই কালি পাঞ্জাবৰ পাটিয়ালাত দলীয় প্ৰাৰ্থীৰ হৈ এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। ড° শৰ্মাই কংগ্ৰেছ আৰু আম আদমী পাৰ্টীৰ বুজাবুজিয়ে পঞ্জাৱক সম্পূৰ্ণৰূপে

ধ্বংস কৰিলে বুলি দাবী কৰি কয় যে, প্ৰগতিশীল পাঞ্জাবৰ বাবে এতিয়া বিজেপিয়ে হৈছে একমাত্ৰ বিকল্প বুলি মন্তব্য কৰে।

আনহাতে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে ভগ্নী তথা কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ৰাড্ৰাৰ সৈতে কালি ৰায়বেৰেলীত প্ৰচাৰ চলায়। শ্ৰীগান্ধীয়ে কয় যে, কংগ্ৰেছ দল ক্ষমতালৈ আহিলে কৃষকসকলক ঋণ ৰেহাই দিয়া হ'ব।

০০০০০০০

সপ্তম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বাৰানসী সমষ্টিত মনোনয়ন দাখিল কৰিব। মনোনয়ন দাখিলৰ সময়ত বিজেপি শাসিত ৰাজ্যৰ ১২ গৰাকী মুখ্যমন্ত্ৰী উপস্থিত থাকিব। প্ৰাৰ্থী শ্ৰী মোদীয়ে মনোনয়ন দাখিলৰ পূৰ্বে কাশীৰ কালভৈৰৱ মন্দিৰত পূজা-অৰ্চনা কৰি আশীৰ্বাদ ল'ব। মাংগলীক কাম-কাজ সম্পূৰ্ণ হোৱাৰ পাছতে তেওঁ সমদল উলিয়াই মনোনয়ন দাখিলৰ বাবে যাত্ৰা কৰিব। কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী, জ্যেষ্ঠ বিজেপি নেতা, উত্তৰ প্ৰদেশৰ কেইবাগৰাকীও মন্ত্ৰী আৰু সাংসদে ইয়াত অংশগ্ৰহণ কৰিব। আনহাতে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ উপস্থিতিত মহাৰাজগঞ্জ সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী বিৰেন্দ্ৰ চৌধুৰীয়ে আজি মনোনয়ন দাখিল কৰিব।

০০০০০০০

লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ত কালি প্ৰায় ৬৭ দশমিক ৭-১ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। এই পৰ্যায়ত দেশৰ ৯খন ৰাজ্য আৰু এটা কেন্দ্ৰীয়শাসিত অঞ্চল সামৰি লোৱা হয়। ইয়াৰ ভিতৰত অন্ধ্ৰ প্ৰদেশৰ ২৫টা, তেলেংগানাৰ ১৭টা, উত্তৰ প্ৰদেশৰ ১৩টা, মহাৰাষ্ট্ৰৰ ১১টা, মধ্যপ্ৰদেশ আৰু পশ্চিমবংগৰ ৮টাকৈ, বিহাৰৰ ৫টা, ওড়িশা আৰু ঝাৰখণ্ডৰ ৪টাকৈ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰৰ এটা সমষ্টি আছে। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা তথ্য অনুসৰি চতুৰ্থ পৰ্যায়ত বিহাৰত ৫৭ দশমিক ০-২, জম্মু কাশ্মীৰত ৩৭ দশমিক ৯-৮, ঝাৰখণ্ডত ৬৫ দশমিক ৩-১, মধ্যপ্ৰদেশত ৭০ দশমিক ৯-৮, মহাৰাষ্ট্ৰত ৫৯ দশমিক ৬-৪, ওড়িশাত ৭৩ দশমিক ৯-৭, তেলেংগানাত ৬৪ দশমিক ৯-৩, উত্তৰ প্ৰদেশত ৫৮ দশমিক ০-৫, পশ্চিমবংগত ৭৮ দশমিক ৪-৪ শতাংশ ভোটদান হয়। ভোটগ্ৰহণৰ লগে লগে এই পৰ্যায়ত এহেজাৰ ৭১৭ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য ইভিএমত বন্দী হয়। নিৰ্বাচন আয়োগে কালি ভোটগ্ৰহণ প্ৰায় শান্তিপূৰ্ণভাৱে সম্পন্ন হোৱা বুলি প্ৰকাশ কৰিছে। আয়োগে কৈছে যে, দুৰ্ভাগ্যজনক ঘটনাক্ৰমত তেলেংগানাৰ চম্পাপেটত কালি নিৰ্বাচনী কৰ্তব্য সম্পাদনৰ সময়ত এগৰাকী নিৰ্বাচনী বিষয়াৰ মৃত্যু হয়। আয়োগে এই সন্দৰ্ভত নিজাববীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰি বিষয়াগৰাকীৰ পৰিয়ালক ততালিকে এককালীন সাহায্য প্ৰদান কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০০০

বিহাৰৰ প্ৰাক্তন উপ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সুশীল কুমাৰ মোদীৰ কালি নতুন দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানত মৃত্যু হয়। বিজেপিৰ জ্যেষ্ঠ নেতাসকলে সুশীল কুমাৰ মোদীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা শোকবাৰ্তাত কয় যে, সুশীল কুমাৰ মোদীয়ে বিহাৰত বিজেপিৰ উত্থান আৰু সাফল্যত অমূল্য অৱদান আগবঢ়াই থৈ গৈছে। প্ৰধানমন্ত্ৰীয়ে কয় যে, নেতাগৰাকীয়ে জৰুৰীকালীন অৱস্থাৰ তীব্ৰ বিৰোধিতা কৰি ছাত্ৰ ৰাজনীতিত সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছিল। ৰাজনীতিৰ সৈতে জড়িত বিষয়সমূহৰ ক্ষেত্ৰত প্ৰয়াত সুশীল কুমাৰ মোদীৰ গভীৰ জ্ঞান আছিল বুলি

শ্ৰীমোদীয়ে উল্লেখ কৰে। নেতাগৰাকীয়ে প্ৰশাসক হিচাপে ভালেমান উল্লেখনীয় কাম কৰি থৈ গৈছে বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয় যে, জি এছ্ টি বিধেয়ক গ্ৰহণ কৰাৰ ক্ষেত্ৰত তেওঁৰ সক্ৰিয় ভূমিকাৰ কথা সদায় স্মৰণ কৰা হ'ব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে তেওঁৰ শোকবাৰ্তাত কয় যে, সুশীল কুমাৰ মোদীৰ বিয়োগত বিহাৰে চিৰকালৰ বাবে এগৰাকী মহান নেতাক হেৰুৱালে। শ্ৰীশ্বাহে কয় যে, প্ৰয়াত নেতাগৰাকীৰ ৰাজনীতি দুখীয়া আৰু পিছ্পৰা শ্ৰেণীৰ লোকৰ স্বাৰ্থৰ প্ৰতি উৎসৰ্গিত আছিল। সুশীল কুমাৰ মোদীৰ বিয়োগত বিহাৰৰ ৰাজনীতিত সৃষ্টি হোৱা শূন্যতা বহুদিনলৈ পূৰণ কৰিব পৰা নাযাব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই এটা বাৰ্তাত কয় যে, প্ৰয়াত নেতাগৰাকীয়ে সমগ্ৰ জীৱন বিহাৰৰ নামত উৎসৰ্গা কৰি থৈ গৈছে আৰু তেওঁৰ প্ৰয়াসে ৰাজ্যখনক উন্নয়নৰ পথত অগ্ৰসৰ হোৱাত সহায় কৰিছে। সুশীল কুমাৰ মোদীৰ বিয়োগ বিজেপিৰ অগণন কৰ্মীৰ অপূৰণীয় ক্ষতি বুলি শ্ৰীনাড্ডাই বাবে মন্তব্য কৰে।

0000000

বৰপেটা জিলাৰ সৰ্থেবাৰী আৰু কলগাছিয়াত আৰক্ষীয়ে অভিযান চলাই বহু পৰিমাণৰ নিচাযুক্ত সামগ্ৰী জব্দ কৰে। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি এই সন্দৰ্ভত এগৰাকী মহিলাসহ ৭ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। অভিযুক্ত কেইজনৰ পৰা আৰক্ষীয়ে ৩২ হাজাৰ ৮৩২ টা নিচাযুক্ত টেবলেট আৰু ৩০ দশমিক ৮-২ গ্ৰাম হেৰ'ইন জব্দ কৰে। বৰপেটা আৰক্ষীয়ে ঘটনা সন্দৰ্ভত এন ডি পি এছ্ আইনৰ অধীনত দুটা পৃথক গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে।

0000000

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা, এন টি এয়ে কাইলৈৰ পৰা অহা ১৮ মে'লৈ স্নাতক পৰ্য্যায়ৰ বাবে চলিত বৰ্ষৰ উমৈহতীয়া বিশ্ববিদ্যালয় প্ৰৱেশ পৰীক্ষা, চি ইউ ই টি (ইউ জি) অনুষ্ঠিত কৰিব। সংস্থাই ভাৰতৰ বাহিৰৰ ২৬খন চহৰকে ধৰি দেশৰ ৩৭৯খন চহৰত এই পৰীক্ষা অনুষ্ঠিত হ'ব। পৰীক্ষাৰ্থীসকলৰ এডমিট কাৰ্ড cuet-ugl@nta.ac.in ৱেবছাইটত মুকলি কৰা হৈছে বুলি সংস্থাই এক বিবৃতিযোগে জানিবলৈ দিছে। পৰীক্ষাৰ্থীসকলে তেওঁলোকৰ আবেদন পত্ৰৰ নম্বৰ আৰু জন্ম তাৰিখ ব্যৱহাৰ কৰি ৱেবছাইটৰ পৰা এডমিট কাৰ্ড ডাউনলোড কৰিব পাৰিব। পৰীক্ষা সন্দৰ্ভত শেহতীয়া তথ্যৰ বাবে পৰীক্ষাৰ্থীসকলক নিয়মীয়াকৈ সংস্থাৰ ৱেবছাইট www.nta.ac.in আৰু cuet-ug@nta.ac.in চাবলৈ পৰামৰ্শ দিয়া হৈছে।

0000000

গুৱাহাটীত অলকায়দাৰ সহযোগী সংগঠন আনছাৰুল্লাহ বাংলা টীম চমুকৈ এ বি টিৰ দুটা সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰা হৈছে। ধৃত সন্ত্ৰাসবাদী দুটা হৈছে বাংলাদেশৰ ব্ৰাহ্মণ বাৰিয়া জিলাৰ বাহাৰ মিঞা আৰু নেত্ৰাকানা জিলাৰ ৰাছেল মিঞা। গুজৰাটৰ পৰা গুৱাহাটী হৈ শিলচৰ অভিমুখে যাবলৈ চেষ্টা কৰোতে অপৰাধ শাখাই অসম আৰক্ষীৰ বিশেষ শাখাৰ সহযোগত গুৱাহাটী ৰে'ল ষ্টেচনৰ পৰা দুয়োটাকে গ্ৰেপ্তাৰ কৰে। অসম আৰক্ষীৰ সূত্ৰসমূহে সন্ত্ৰাসবাদী দ্বয়ে বাংলাদেশ সীমান্ত পাৰ হৈ ভাৰতত প্ৰৱেশ কৰিছিল। উল্লেখযোগ্য যে চলিত বৰ্ষৰ

আৰম্ভণিতে দুয়োটা সন্ত্ৰাসবাদীৰ বিৰুদ্ধে অসম আৰক্ষীৰ বিশেষ শাখাত এটা গোচৰ ৰুজু কৰা হৈছিল। সেই মৰ্মে দুয়ো সন্ত্ৰাসবাদীকে অসম আৰক্ষীৰ বিশেষ শাখাৰ মোষ্ট ৱাণ্টেড অপৰাধী বুলি ঘোষণা কৰা হয়। এই দুই সন্ত্ৰাসবাদীয়ে অসমত এ বি টিৰ নেটৱৰ্ক বিস্তাৰ কৰি ত্ৰিপুৰা হৈ বাংলাদেশলৈ যোৱাৰ পৰিকল্পনা কৰিছিল। গোপন খবৰৰ ভিত্তিত সন্ত্ৰাসবাদী দুটাই গুজৰাটত বাহৰ পাতি থকাৰ বিষয়ে অৱগত হৈ চোৰাংচোৱাই দুয়োকে অনুসৰণ কৰে। তাৰ পাছত গুৱাহাটী ৰে'ল ষ্টেচনত সন্ত্ৰাসবাদী দুটাক হাতেলোটে কৰায়ত্ব কৰা হয়।

oooooooo

নাবাৰ্ডৰ অধীনত মুখ্যমন্ত্ৰীৰ উন্নত পকীপথ নিৰ্মাণ আঁচনিৰ অন্তৰ্গত তেজপুৰৰ মুখ্য ডাকঘৰৰ পৰা লাচিত চ'ক হৈ দোলাবাৰীলৈকে পথছোৱাৰ উন্নয়ন সন্দৰ্ভত কালি এখন সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ অধ্যক্ষতাত অনুষ্ঠিত এই সভাত পকী দলং নিৰ্মাণৰ পৰিপ্ৰেক্ষিতত মুখ্য ডাকঘৰৰ পৰা তেজপুৰ মহাবিদ্যালয়লৈ যোৱা পথছোৱা বন্ধ কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা লোৱা সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে  যাতে সাধাৰণ জনতাৰ  যাতায়াতত কোনো অসুবিধাৰ সৃষ্টি নহয় আৰু নিৰ্মাণকাৰ্য নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ হয়, তাৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্মাণকাৰ্য আগবঢ়াই নিয়াৰ বাবে সংশ্লিষ্ট সকলোকে মতামত আৰু পৰামৰ্শ আগবঢ়াবলৈ অনুৰোধ জনায়।

ooooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ দেলহী কেপিটেলছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

গুজৰাট টাইটানছ আৰু কলকাতা নাইট ৰাইডাৰ্ছৰ মাজত কালি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া খেলখন বৰষুণৰ বাবে এটাও বল নেখেলাকৈ পৰিত্যক্ত ঘোষণা কৰাত গুজৰাট দলটো প্ৰতিযোগিতাৰ প্লেঅফ পৰ্যায়ৰ দৌৰৰ পৰা বাহিৰ হৈছে। খেলখন পৰিত্যক্ত ঘোষণা কৰাত কলকাতা আৰু গুজৰাট উভয় দলে এক পইণ্টকৈ লাভ কৰে। ফলত প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষ দুটা দলৰ মাজত ইতিমধ্যে প্লেঅফ পৰ্যায়ত প্ৰবেশ কৰা কলকাতা নাইট ৰাইডাৰ্ছৰ স্থান নিশ্চিত হৈ পৰে। যোৱাবাৰৰ চেম্পিয়ন চেন্নাই ছুপাৰ কিংছ আৰু ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুসহ ৬টা দল প্ৰতিযোগিতাৰ প্লেঅফ পৰ্যায়ৰ দৌৰত আছে।

আনহাতে কাইলৈ গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত পাঞ্জাব কিংছ, ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। পাঞ্জাব কিংছৰ খেলুৱৈসকল দেওবাৰে গুৱাহাটীত উপস্থিত হোৱাৰ পাছত ৰাজস্থান ৰয়েলছৰ দলটো কালি বিয়লি বিশেষ বিমান যোগে বৰঝাৰ বিমান বন্দৰত উপস্থিত হয়। ইফালে ১৯ মে'ৰ দিনা সন্ধিয়া পুনৰ ৰাজস্থান ৰয়েলছ আৰু কলকাতা নাইট ৰাইডাৰ্ছৰ মাজত আন এখন খেল গুৱাহাটীত অনুষ্ঠিত হ'ব।

ooooooooo

ভাৰতৰ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ যুটীটো ইটালিয়ান অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। বোপন্না আৰু এবডেনৰ যুটীটোৱে কালি প্ৰতিযোগিতাৰ এখন খেলত ইটালীৰ ফ্ৰান্সেস্ক' পাছাৰ' আৰু মাতেঅ' অৰ্নাল্ডিক ৬-২, ৬-২ পোনপটীয়া ছেটত পৰাস্ত কৰে। দ্বিতীয় বাছনিপ্ৰাপ্ত বোপন্না আৰু এবডেনৰ যুটীটো আজি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ইটালীৰ ছিম'ন ব'লেলি আৰু এণ্ড্ৰিয়া ৱাৱাচ্ছৰিৰ সন্মুখীন হ'ব।

ooooooooo

<u>Newspaper Review (14-05-2024, Morn.)</u>

ওৰে জীৱন কু-সংস্কাৰ, ডাইনী হত্যাৰ দৰে অন্ধবিশ্বাসৰ বিৰুদ্ধে যুঁজি সমাজহিতৈষী, পদ্মশ্ৰী বীৰুবালা ৰাভাৰ দেহাৱসানৰ বাতৰিটো আজি প্ৰকাশিত প্ৰায়বোৰ বাতৰি কাকতে ভিন ভিন শিৰোনামাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতে এই বাতৰি ‘সমাজ পোহৰাই ইহ সংসাৰ ত্যাগ বীৰংগনা বীৰুবালাৰ’ শিৰোনামাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিকে ‘বীৰংগনা বীৰুবালাৰ জীৱনাৱসান’ শিৰোনামাৰে **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে। চিবিএছইৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা। এই প্ৰসংগত **আমাৰ অসম** কাকতৰ শিৰোনাম ‘ছাত্ৰীৰ আধিপত্য, গুৱাহাটীৰ ফলাফল হতাশাজনক’। **অসমীয়া প্ৰতিদিন** কাকতে ‘শীঘ্ৰেই সলনি হ’ব বিজেপিৰ ৰাজ্যিক সভাপতি’ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি প্ৰকাশ কৰিছে। গুজৰাটৰ পৰা আহি ৰে’লেৰে শিলচৰলৈ পলাবলৈ লওঁতেই ধৰা পৰিল বাংলাদেশৰ দুই ম’ষ্ট ৱাণ্টেড সন্ত্ৰাসবাদী, গুৱাহাটীত গ্ৰেপ্তাৰ। এই সন্দৰ্ভত **দৈনিক জনমভূমি** কাকতৰ শিৰোনাম ‘ৰাজ্যত আনছাৰুল্লা বাংলা টীমৰ জাল’। **The Sentinel** কাকতে India signs 10-year pact to operate Chabahar Port in Iran শিৰোনামাৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দেশৰ লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ত ৬৩ শতাংশ ভোটদাতাৰ ভোটদানৰ অধিকাৰ সাব্যস্ত হোৱা সন্দৰ্ভত **The Assam Tribune** কাকতে প্ৰথম পৃষ্ঠাত শীৰ্ষ বাতৰি প্ৰকাশ কৰিছে। অসমৰ তিনিটা পৰ্যায়ত নিৰ্বাচন সমাপ্ত হোৱাৰ পাছতেই ৰাজ্যত অস্বাভাৱিক হাৰত বৃদ্ধি পাইছে ঔষধকে ধৰি নিত্য ব্যৱহাৰ্য খাদ্য সামগ্ৰীৰ মূল্য। ‘বজাৰত জুই, জনতাৰ দুৰ্ভোগ’। এই শিৰোনামেৰে **অসমীয়া খবৰ** কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। এজাক বৰষুণতে একাঁঠু পানী, চেনিমূৰৰ মূল পথৰ চৰম দুৰৱস্থাক লৈ ক্ষুব্ধ জনতা। উন্নয়ন প্ৰসংগত দিছপুৰৰ এখন গাঁৱৰ মৰ্মবেদনাৰ বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত শীৰ্ষ বাতৰিৰ স্থান দিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে - ড° হীৰেণ গোহাঁই লৈ পৰাগ কুমাৰ দাস সাংবাদিকতা বঁটা, দুৰ্নীতিগ্ৰস্ত বিষয়াৰ বাসগৃহত বহুপৰিমাণৰ নোট জব্দ, চাবাহাৰ বন্দৰক লৈ ভাৰত-ইৰানৰ মাজত চুক্তি স্বাক্ষৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০০

**সমাপ্ত**